অধ্যায় ৬ ঃ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *জীৱনৰ বাটত*-২

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ *জীৱনৰ বাটত*
৬.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা
৬.৩.২ উপন্যাসখনৰ কাহিনীভাগ
৬.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ
৬.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ
৬.৪ উপন্যাসখনত প্ৰতিফলিত হোৱা গাঁৱলীয়া সমাজ জীৱনৰ চিত্ৰ
৬.৫ উপন্যাসখনত প্ৰতিফলিত হোৱা নগৰীয়া সমাজ জীৱনৰ চিত্ৰ
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিৰিঞ্চি কুমাৰ বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাসখনিৰ কাহিনী আৰু চৰিত্ৰৰ বিষয়ে বিশ্লেষণ আগবঢ়াব পাৰিব
- বিৰিঞ্চি কুমাৰ বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাসখনিত প্ৰতিফলিত গ্ৰাম্য সমাজ আৰু নগৰীয়া সমাজ জীৱনৰ চিত্ৰৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- *জীৱনৰ বাটত* উপন্যাসখনিৰ বিষয়ে সামগ্ৰিকভাৱে সকলো দিশৰ আভাস পোৱাৰ লগতে অসমীয়া সাহিত্যত এই উপন্যাসখনিৰ স্থান নিৰ্ণয় কৰিবলৈ সক্ষম হ'ব।

৬.২ পৰিচয়

এইটো 'অসমীয়া উপন্যাস' শীৰ্ষক পাঠ্যবিষয়ৰ ষষ্ঠ অধ্যায়।ইয়াত বিৰিঞ্চি কুমাৰ বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাসখনৰ মূল পাঠভাগৰ বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। বীণা বৰুৱা ছদ্মনামত ৰচনা কৰা এইখন এখন বহু পঠিত আৰু বহু চৰ্চিত সামাজিক উপন্যাস। আধুনিক অসমীয়া উপন্যাসৰ ইতিহাসত বিৰিঞ্চি কুমাৰ বৰুৱাৰ *জীৱনৰ বাটত* মাইলৰ খুঁটি স্ৱৰূপ। এই অধ্যায়টোত এই উপন্যাসখনৰ বিভিন্ন দিশ আলোচনা কৰাৰ লগতে শিক্ষাৰ্থীক ইয়াৰ যুগজয়ী আবেদনৰ লগত পৰিচিত কৰোৱা হ'ব।

৬.৩ *জীৱনৰ বাটত*

৬.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা

বিৰিঞ্চি কুমাৰ বৰুৱা ওৰফে বীণা বৰুৱা অসমীয়া উপন্যাস সাহিত্যৰ এটি এৰাব নোৱাৰা নাম। *জীৱনৰ বাটত* আৰু *সেউজী পাতৰ কাহিনী* এই দুখন উপন্যাসৰ যোগেদি তেওঁ অসমীয়া উপন্যাস সাহিত্যত এখনি স্থায়ী আসন দখল কৰি আছে। *জীৱনৰ বাটত* উপন্যাসখনি বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামেৰে ৰচনা কৰে ১৯৪৪ চনত।এই উপন্যাসখনি সৃষ্টিৰ প্ৰায় অৰ্দ্ধ শতিকাকাল আগতে অসমীয়া উপন্যাসৰ জন্ম হৈছিল। *জীৱনৰ বাটত* ৰচনা হোৱাৰ পিছত অৰ্থাৎ স্বৰাজোত্তৰ কালত অসমীয়া উপন্যাসৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পালে আৰু জনপ্ৰিয়তাও অৰ্জন কৰিলে। কলাত্মক গুণ, বিষয়বস্তুৰ গাম্ভীৰ্য, আঙ্গিক বৈশিষ্ট্যত অসমীয়া উপন্যাস ইমানেই ঐশ্বৰ্যশালী হৈ উঠিল যে অসমীয়া উপন্যাসে সাহিত্য অকাডেমি তথা জ্ঞানপীঠ বঁটা অৰ্জন কৰিবলৈও সক্ষম হ'ল। বিংশ শতিকাৰ চল্লিশৰ দশকতে, ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ তিনি বছৰ আগতে প্ৰকাশ পোৱা বীণা বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাসখনি আজিও স্ব-মহিমাৰে উজ্জ্বল হৈ জিলিকি আছে। বহুতৰ মতে *জীৱনৰ বাটত* উপন্যাসখনি অসমীয়া উপন্যাস সাহিত্যৰ প্ৰথম সৰ্বাঙ্গসুন্দৰ উপন্যাস। কিছুমানৰ মতে *জীৱনৰ বাটত* আজিও অপ্ৰতিদ্বন্দ্বী উপন্যাস। আন কিছুমানৰ মতে *জীৱনৰ বাটত* অসমীয়া উপন্যাসৰ মাইলৰ খুঁটি স্বৰূপ। কিছুমানে আৰু এখোপ আগুৱাই গৈ এই উপন্যাসখনিক 'সাৰ্থক কালজয়ী উপন্যাস' তথা 'মহাকাব্যিক উপন্যাস' বুলিও অভিহিত কৰিছে। উপন্যাসখনিৰ বিষয়ে কৰা এনে প্ৰশংসাসূচক মন্তব্যবোৰে প্ৰমাণ কৰে যে *জীৱনৰ বাটত* অসমীয়া সাহিত্যৰ এখনি শ্ৰেষ্ঠ উপন্যাস বা সাৰ্থক সৃষ্টি।

এই উপন্যাসখনি প্ৰকাশৰ লগে লগে অসমীয়া উপন্যাসৰ এটি নতুন যুগৰ সূচনা হয়। মানুহৰ দৈনন্দিন জীৱনৰ সৰু-সুৰা ঘটনাৰ আধাৰতো যে সৰ্বাঙ্গসুন্দৰ, সাৰ্থক উপন্যাস ৰচনা হ'ব পাৰে, এই কথা অসমীয়া সাহিত্যত প্ৰথমবাৰৰ বাবে এই উপন্যাসখনিৰ দ্বাৰা প্ৰতিপন্ন হয়। এই উপন্যাসত বৰ্ণিত হৈছে এগৰাকী নাৰীৰ সংঘাতপূৰ্ণ কৰুণ জীৱন- কাহিনী। সেই কাহিনীৰ মাজেৰে লেখকে কৃতিত্বৰে ফুটাই তুলিছে অসমীয়া সমাজৰ সুখ-দুখ, আশা-আকাঙ্খা, কু-সংস্কাৰ- অন্ধবিশ্বাস ভাল-বেয়া, উচিত-অনুচিত আদি সকলো দিশ।

জীৱনৰ বাটত উপন্যাসৰ কাহিনীটো সুসংবদ্ধ। আনহাতেদি এই কাহিনীটোক আদি, মধ্য, অন্ত্য —এই তিনিটা পৰ্যায় বা স্তৰত বিভক্ত কৰিব পাৰি। প্ৰথম ভাগত আছে নায়িকা তগৰৰ গাভৰু জীৱনৰ কাহিনী। কাহিনীৰ নায়ক কমলাকান্তই প্ৰথম পৰিচয়তে তগৰক গোপনে আঙঠি পিন্ধাই তাইৰ সহজ জীৱন যাত্ৰাত আউল লগাইছে।

দ্বিতীয় ভাগত বর্ণিত হৈছে ধৰণী মাষ্টৰৰ লগত বিয়া হৈ যোৱা তগৰৰ বোৱাৰী জীৱনৰ সংঘাতপূর্ণ কৰুণ কাহিনী। তৃতীয় ভাগত উপস্থাপিত হৈছে লাঞ্ছিতা আৰু অপমানিতা বিধৱা তগৰৰ কমলাকান্তৰ সৈতে পৰোক্ষ সংযোগ আৰু কমলাকান্তৰ অনুশোচনাৰ চিত্র।

৬.৩.২ উপন্যাসখনৰ কাহিনীভাগ

জীৱনৰ বাটত উপন্যাসখনিৰ কাহিনীৰ পটভূমি হ'ল গোলাঘাট জিলাৰ মৰঙ্গী আৰু নগাঁৱৰ ৰহা গাঁও। মৰঙ্গী গাঁৱৰ বাপুৰাম বৰাৰ কন্যা তগৰৰ মৌজাদাৰৰ জীয়েকৰ বিয়াত পৰিচয় ঘটে চহৰৰ শিক্ষিত ডেকা কমলাকান্তৰ লগত। সেই পৰিচয় গৈ প্রেমত পৰিণত হয় আৰু আবেগৰ বশৱর্তী হৈ কমলাকান্তই তগৰক গোপনে আঙঠি পিন্ধাই বিয়া কৰোৱাৰ প্রতিশ্রুতি দিয়ে। কিন্তু ঘৰলৈ উভতি গৈ তেওঁ পিতৃ মহীকান্তৰ দিহামতে হাকিম হোৱাৰ পথ প্রশস্ত কৰিবলৈ ৰায়বাহাদুৰ মাণিক হাজৰিকাৰ জীয়েক সুপ্রভাক বিয়া কৰাবলৈ থিৰাং কৰে। মহীকান্তই কমলাকান্তলৈ তগৰক বিয়া কৰাব নোৱাৰিব বুলি বাপুৰাম বৰাক চিঠিৰে জনায়। সেই চিঠি পাই আৰু লোক অপবাদক সঁচা বুলি পতিয়ন গৈ বাপুৰামে তগৰক উইভিং মাষ্টৰ ধৰণীলৈ বিয়া দিয়ে। বিয়াৰ পিছত তগৰক লৈ ধৰণী তেওঁৰ নিজ গাঁও ৰহালৈ যায়। লগে লগে তগৰৰ দুখ-যন্ত্রণাময় বোৱাৰী জীৱনৰ আৰম্ভণি ঘটে। শাহুৰেক আহিনীৰ উপৰি নাদুকী, পাভৈ, প্রমিলা, গোসাঁনী আদি গাঁৱলীয়া তিৰোতাৰ কুৎসা ৰটনা আৰু মানসিক অত্যাচাৰত তগৰ জর্জৰিত হৈ পৰে। জীয়েক কমলি জন্ম হোৱাৰ পিছত শাহুৰেক আহিনীৰ মানসিক পৰিৱর্তন ঘটাত তগৰে শাহুৰেকৰ মৰম পাবলৈ সক্ষম হ'লেও শাহুৰেকৰ মৃত্যু, সংসাৰৰ প্রতি উদাসীন ধৰণীৰ দেশৰ স্বাধীনতা সংগ্রামত যোগদান, কাৰাবাস আৰু অৱশেষত ক্ষয়ৰোগত আক্রান্ত হৈ হোৱা মৃত্যুৱে তগৰক একেবাৰে নিঠৰুৱা কৰি পেলায়। পেটৰ দায়ত পৰি তেওঁ বোৱা-কটা কৰিবলৈ লয় যদিও অপবাদৰপৰা মুক্ত হ'ব নোৱাৰিলে। ৰহা চার্কোললৈ বদলি হৈ অহা হাকিমৰ ঘৈণীয়েকক তাঁতৰ বন শিকাবলৈ গৈ তেওঁ অন্য এটি অপবাদৰ মুখামুখি হ'বলগীয়াত পৰে। ক্ষন্তেকৰ বাবে হাকিমক দেখিয়ে তগৰে চিনিব পাৰিলে যে সেই হাকিমেই হ'ল তেওঁৰ প্রথম প্রেমিক কমলাকান্ত। পূর্বৰ স্মৃতি জাগ্রত হোৱাত প্রচণ্ড মানসিক সংঘাতত জর্জৰিত হৈ পৰা তগৰক পুলিচে চুৰুণী তথা অসৎ চৰিত্রৰ বুলি চিহ্নিত কৰে, কিয়নো ইতিমধ্যে হাকিমৰ ঘৰৰ পৰা চুৰি হোৱা আঙঠি আৰু কাপোৰৰ অনুসন্ধান কৰিবলৈ গৈ পুলিচে তগৰৰ ঘৰৰ পৰা উদ্ধাৰ কৰে কমলাকান্তৰ নামাঙ্কিত আঙঠিটো। কিন্তু আঙঠিটো দেখিয়ে কালিদাসৰ শকুন্তলা নাটকৰ ৰজা দুষ্মন্তৰ দৰে হাকিম কমলাকান্তৰ পূর্বস্মৃতি উদয় হয় আৰু তগৰৰ প্রতি কৰা অন্যায়ৰ বাবে তেওঁ অনুশোচনাত দগ্ধ হৈ পৰে। থূলমূলকৈ এয়ে *জীৱনৰ বাটত* উপন্যাসৰ মূল কাহিনী।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে উপন্যাসখনিৰ কাহিনীটো সু-সংবদ্ধ বা আটিল। কোনো অপ্রয়োজনীয় বা বাহুল্য বর্ণনা ইয়াত নাই। দুটামান সৰু-সুৰা উপকাহিনী,

যেনে— মনোহৰৰ ৰেল যাত্রা, শুকমল কানীয়াৰ মৃত্যু আদি ঘটনা আছে যদিও সিবোৰে মূল কাহিনীৰ অগ্রগতিত প্রতিবন্ধকতাৰ সৃষ্টি কৰা নাই। নতুবা উপন্যাসখনিৰ কলাত্মক ৰূপৰ ওপৰতো আঘাত হনা নাই। কাহিনী বর্ণনাত থাকিবলগীয়া উৎকণ্ঠাও ৰক্ষিত হৈছে।

মুঠতে, বিৰিঞ্চি কুমাৰ বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাসখনিত এটা ধাৰাবাহিক, নিটোল, সু-সংহত কাহিনী আছে।এই ক্ষেত্রত উপন্যাসখনিয়ে পাঠকৰ প্রাথমিক প্রয়োজন পূৰণ কৰিবলৈ সক্ষম হৈছে। জীৱনৰ বাটত উপন্যাসখনিৰ আকর্ষণীয়তা তথা সফলতাৰ ইয়ো এটা অন্যতম কাৰণ। আনহাতে, কাহিনীটোত আদি, মধ্য, অন্ত্য —এই তিনিটা স্তৰ অতি স্পষ্ট। আদি স্তৰত নায়ক-নায়িকাৰ সাক্ষাৎ বা মিলন ঘটিছে। মধ্যস্তৰত নায়ক-নায়িকাৰ বিচ্ছেদ ঘটিছে আৰু অনিচ্ছা সত্ত্বেও তগৰে ধৰণীৰ লগত বিয়াত বহিছে। সামৰণিত পুনৰ নায়ক কমলাকান্তৰ লগত তগৰৰ দেখা-দেখি হৈছে। পূর্ণাঙ্গ তথা নিটোল কাহিনীৰ ই অন্যতম লক্ষণ। সেইবাবে কাহিনীমূলক সাহিত্য হিচাপে *জীৱনৰ বাটত* উপন্যাসৰ জনপ্রিয়তা আজিও হ্রাস পোৱা নাই।

৬.৩.৩ উপন্যাসখনৰ চৰিত্র চিত্রণ

জীৱনৰ বাটত এখনি চৰিত্র প্রধান উপন্যাস। উপন্যাসখনিত কেৱল কাহিনী সৃষ্টিৰ বাবে চৰিত্রসমূহ সৃষ্টি কৰা হোৱা নাই। প্রত্যেকটো চৰিত্রই আপোন বৈশিষ্ট্যৰে উজ্জ্বল। *জীৱনৰ বাটত* উপন্যাসখনিত প্রায় ডেৰ কুৰি চৰিত্রৰ সমাৱেশ ঘটিছে । সেই চৰিত্রবোৰ হ'ল— তগৰ, কমলাকান্ত, ধৰণী, সুপ্রভা, আহিনী, মৌজাদাৰ ভোগদত্ত, মহীকান্ত, মাণিক হাজৰিকা, মৌজাদাৰনী, বাপুৰাম, শুনদ, মনোহৰ, জেতুকী, নাদুকী, পাভৈ, প্রমিলা, গোলাপ ডাক্তৰ, পুলিচ এছ আই মাধৱ মহন্ত আদি। ইয়াৰ ভিতৰত প্রধান চৰিত্র তিনিটা— তগৰ, কমলাকান্ত আৰু ধৰণী। বিৰিঞ্চি কুমাৰ বৰুৱাই দুটা ভিন্নমুখী সভ্যতাৰ পটভূমিত ইয়াৰ চৰিত্রসমূহ অঙ্কন কৰিছে। পুৰণি গ্রাম্য-সভ্যতাৰ পটভূমিত তগৰ, ধৰণী, আহিনী, সুনদ, জেতুকী, পাভৈ, নাদুকী, প্রমিলা, মৌজাদাৰনী আদি চৰিত্রই অৱস্থান কৰিছে। আনহাতে, নগৰকেন্দ্রিক ভোগবাদী সভ্যতাৰ পটভূমিত গঢ় লৈ উঠিছে কমলাকান্ত, সুপ্রভা, ৰায়বাহাদুৰ মাণিক হাজৰিকা, এছ আই মাধৱ মহন্ত আদি চৰিত্র। উপন্যাসখনিত দুটা বেলেগ সভ্যতাৰ চৰিত্রৰ সমাৱেশ ঘটা কাৰণে এহাতে কাহিনীভাগে বিশিষ্ট ৰূপ লাভ কৰিছে।আনহাতে, চৰিত্রসমূহৰ অঙ্কন সজীৱ হৈ উঠিছে।

বিৰিঞ্চি কুমাৰ বৰুৱাই কি মনোভাৱেৰে এই চৰিত্রসমূহ সৃষ্টি কৰিছিল সেই প্রসঙ্গত তেওঁৰ নিজৰ মন্তব্য উল্লেখনীয়— "প্রত্যেক মানুহৰ চৰিত্র দুটা ফালৰপৰা বিচাৰ কৰা হয়। এটা হৈছে সমাজৰ ফাল। এই ফালটো প্রকাশ্যভাৱে সমাজৰ বিচাৰৰ অধীন। আনটি হৈছে ভিতৰুৱা ফাল। মানুহৰ জীৱনৰ কদর্য-কলুষতাপূর্ণ ফালটো ইয়াৰ ভিতৰত। ইয়াৰ ভালেখিনি কল্পনা আৰু অনুমানৰ ওপৰত প্রতিষ্ঠিত। গাইগুটীয়াভাৱে সমালোচনা

হ'লেও প্ৰকাশ্যভাৱে সমাজৰ আগত চৰিত্ৰৰ এই ভাগটো প্ৰকাশ নহয়।" এই মন্তব্যৰ পৰা সহজে অনুমান কৰিব পাৰি যে ঔপন্যাসিকে চৰিত্ৰৰ কেৱল বাহ্যিক ৰূপটোৰ প্ৰকাশতে ক্ষান্ত থকা নাছিল, চৰিত্ৰৰ মানসিক দিশটো উন্মোচন কৰিবলৈও যত্নপৰ হৈছিল, যাৰ বাবে *জীৱনৰ বাটত* উপন্যাসৰ চৰিত্ৰসমূহে বৈচিত্ৰ্য তথা অগতানুগতিক ৰূপ লাভ কৰিছিল। তলত উপন্যাসখনিৰ মূল চৰিত্ৰকেইটিৰ আলোচনাৰ যোগেদি এই কথা সাব্যস্ত কৰিবলৈ প্ৰয়াস কৰা হ'ল।

জীৱনৰ বাটত উপন্যাসৰ কাহিনী গঠিত হৈছে তগৰৰ কৰুণ জীৱন-কাহিনীক লৈ। তগৰক কেন্দ্ৰ কৰিয়েই কাহিনীৰ প্ৰয়োজনত ঔপন্যাসিকে অন্যান্য চৰিত্ৰ সৃষ্টি কৰিছে। গতিকে ক'ব পৰা যায় তগৰ হ'ল উপন্যাসখনিৰ কেন্দ্ৰীয় চৰিত্ৰ। উপন্যাসখনিত বহু চৰিত্ৰৰ সমাৱেশ ঘটিছে যদিও তগৰৰ জীৱনালেখ্যই ইয়াৰ প্ৰাণকেন্দ্ৰ।

- **তগৰ ঃ** তগৰ উদাৰ, নৈতিক চেতনাৰে পৰিপূৰ্ণ সহজ-সৰল অসমীয়া গাঁৱলীয়া সমাজৰ প্ৰতিনিধি। অসমীয়া গাঁৱলীয়া নাৰীৰ সকলোবোৰ গুণৰ সমাৱেশ ঘটিছে এই চৰিত্ৰটিত। তগৰ শিক্ষিতা, সুৰুচিসম্পন্না। কীৰ্ত্তন-দশমৰ প্ৰভাৱে মুখৰিত কৰি ৰখা অসমীয়া কৃষক-পৰিয়ালৰ সন্তান তগৰ পৰম্পৰাত বিশ্বাসী। সেইবাবে বিশিষ্ট সমালোচক ভবেন বৰুৱাই তগৰ চৰিত্ৰটোৰ বিষয়ে মন্তব্য দি কৈছে— "তগৰ হ'ল অসমীয়া সমাজত থকা সবাতোকৈ ভাল আৰু বিশুদ্ধখিনিৰ সাৰ্থক প্ৰতিভূ। (Tagar, the heroine of the novel is a concrete embodiment of all that was best and purest in the Assamese society)"

  উপন্যাসখনিৰ আৰম্ভণিতে দেখা গৈছে তগৰৰ ৰাংঢালী গাভৰু ৰূপ। মৌজাদাৰ ভোগদত্তৰ জীয়েকৰ বিয়াত তগৰে লগৰীয়াসকলৰ লগত হাঁহি-খিকিন্দালি কৰি ইটো-সিটো কাম কৰিছে। অৱশ্যে গাভৰু তগৰৰ ৰাংঢালী ৰূপ কমোৱা তুলাৰ দৰে চঞ্চল নহয়। অসমীয়া বৈষ্ণৱ পৰিয়ালৰ স্বাভাৱিক গাম্ভীৰ্য তগৰ চৰিত্ৰত বিদ্যমান। সেইবাবে সমনীয়াৰ লগত ধেমালি কৰোঁতেও তেওঁ গাইছে বৈষ্ণৱ পদ—

  "পৰম পুৰুষ পীউ ভেলি মুৰাৰি,
  জনম সফল সখি হুবহু হামাৰি।
  নাহি মোহে সম সৌভাগিনী মাই—"

  তগৰৰ চিন্তা-চৰ্চাত পৰম্পৰাৰ গভীৰ প্ৰভাৱ বিদ্যমান। অসমীয়া গাঁৱলীয়া মানুহৰ বিশ্বাস— কিতাপত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী থাকে, শাস্ত্ৰৰ বিধান মানি চলিলে অপায় অমঙ্গল দূৰ হয়। তগৰৰ চৰিত্ৰতো এনে বিশ্বাস আৰোপিত হৈছে—

  "ইংৰাজী কিতাপত যজানো সৰস্বতী নাথাকে?"
  "ওহো"
  "ইস্ ইংৰাজী কিতাপ জানো শাস্ত্ৰ নহয়?"

"কিয় হ'ব?"

"যাওক, আপুনি ধেমালি কৰিছে....

"শাস্ত্র জানো তুমি মানা?"

"ওঁ আই শাস্ত্র নেমানিম কিয়?" প্রশ্ন শুনি তগৰ জিকাৰ খাই উঠিল।

তগৰ সহজ-সৰল যদিও তেওঁৰ চৰিত্রত বিৰল ব্যক্তিত্বও দেখা যায়। নিজে হাতে বই উলিওৱা ফুলাম টেবুল ক্লথ উপহাৰ দি কমলাকান্তৰ প্রতি তগৰে তেওঁৰ অন্তৰৰ গভীৰ প্রেম প্রকাশ কৰিছে যদিও কমলাকান্তৰ দৰে উতনুৱা ভাব প্রকাশ কৰা নাই। আবেগৰ বশৱর্তী হৈ কমলাকান্তই তগৰৰ আঙুলিত আঙঠি পিন্ধাই দিয়াত পৰম্পৰাত বিশ্বাসী তগৰৰ অন্তৰ কঁপি উঠিল। উচুপি উচুপি তাই কমলাকান্তক কৈছে— "আপুনি মোৰ সর্বনাশ কৰিলে কিয়?... ...দেউতাক নোকোৱাকৈ আপুনি মনে মনে কি কামটো কৰিলে?" আনহাতে, সর্বনাশ কৰা বুলি মানিও কমলাকান্তৰ প্রেমক শ্রদ্ধা সহকাৰে গ্রহণ কৰিছে— "নিজৰ অজ্ঞাতসাৰেই কমলাকান্তৰ ভৰি চুই সেৱা কৰি বিজুলী বেগেৰে কোঠাটোৰ পৰা ওলাই গ'ল।"

ঘটনাৰ চাকনৈয়াত পৰি তগৰে দেউতাক বাপুৰাম বৰাৰ সিদ্ধান্তৰ প্রতি মৌন সমর্থন জনাই ধৰণী মাষ্টৰৰ লগত বিয়াত বহিল। লোক-অপবাদকে সঁচা বুলি ধৰি লৈ নিজৰ পিতৃয়ে তগৰক খৰখেদাকৈ ধৰণীক বিয়া দিয়াত, সহনশীল স্বভাৱৰ তগৰ ভিতৰি ভিতৰি দগ্ধ হ'ল যদিও তাক প্রকাশ কৰাৰ সাহস তাইৰ নহ'ল। তগৰ অবিচাৰ, অত্যাচাৰৰ সন্মুখীন হ'ল।আহিনী, নাদুকী, পাভৈ, প্রমিলা, গোসাঁনী, কেছোদা, পুলিচ আদিৰ তাচ্ছিল্য আৰু অত্যাচাৰেও তগৰক অস্থিৰ কৰিব পৰা নাই। সকলো ভাগ্যৰ লিখন বুলি নীৰৱে সহ্য কৰি গৈছে আৰু নিজৰ কর্তব্য— স্বামী আৰু শাহুৰেকৰ সেৱা-শুশ্রষাত মন ঢালি দিছে। তথাপি লোক-অপবাদ আৰু মানসিক পীড়নৰ পৰা তাই হাত সাৰিব নোৱাৰিলে— "দুই চাৰিদিনৰ ভিতৰতে ন-ছোৱালীৰ বিষয়ে ইকাণ-সিকাণকৈ নানা কথা গাঁৱত প্রচাৰ কৰা হ'ল। তগৰৰ ভিতৰুৱা চৰিত্রৰ বিষয়ে গাঁৱৰ মাজত চিৰদিনৰ কাৰণে বদ্ধ পৰিকৰ এটি ধাৰণা ৰৈ গ'ল।"

তগৰ ধৈর্যশীলা ৰমণী। অনেক বিপদ-বিঘিনি, আলৈ-আহুকালে তেওঁক জুৰুলা কৰিলেও ধীৰ-স্থিৰ হিমালয়ৰ দৰে তেওঁ সকলো সহ্য কৰি গৈছে। নিষ্ঠুৰ জীৱন সংগ্রামে তেওঁক গাম্ভীর্য আৰু ধৈর্যশীলতা প্রদান কৰিছে। সামাজিক বিশ্বাস-পৰম্পৰাত বিশ্বাসী যদিও তগৰ বাস্তৱবাদী। কষ্টৰ মাজেৰেও নিষ্ঠুৰ বাস্তৱকে সহজভাৱে গ্রহণ কৰিবলৈ শিকিছে। অকালতে বিধৱা হৈ নিঠৰুৱা হোৱাৰ পিছতো তেওঁ ভাগি পৰা নাহ— "পেট প্রৱর্তনৰ নির্লজ্জ চিন্তা য'ত প্রধান, কান্দি-কাটি চকুৰ পানী টোকা সেই স্থলত বিলাসিতাৰ নামান্তৰ।" তথাপি সমাজৰ লঘু-লাঞ্ছনা আৰু জীৱন সংগ্রামৰ তিক্ততাই তগৰক কেতিয়াবা হতাশাতো ভোগাইছে। তেনে অৱস্থাত স্বাভাৱিকতে তেওঁৰ চিন্তা হয় ঈশ্বৰমুখী। নিষ্ঠুৰ বাস্তৱৰ পৰা পৰিত্রাণ

পাবলৈ হতাশাত ভাগি পৰা তগৰে ঈশ্বৰৰ প্ৰতিও প্ৰাৰ্থনা কৰে এনেদৰে— "হে প্ৰভু, আমাক উচ্ছন্ন কৰা, আজিয়েই আমাক দুয়োকে মাৰি নিয়া। মোক আৰু কিমান কষ্ট খাবলৈ জীয়াই ৰাখা? মাৰি নিয়া প্ৰভু, মাৰি নিয়া।"

তগৰ চৰিত্ৰৰ অন্য এক বৈশিষ্ট্য হ'ল তেওঁৰ একাগ্ৰতা। নিজৰ কৰণীয় সকলোখিনি অনেক আলৈ-আহুকালৰ সন্মুখীন হৈও একাগ্ৰচিত্তে সমাধা কৰিবলৈ তেওঁ চেষ্টা কৰিছে। আনকি কমলাকান্তৰ প্ৰেমৰ প্ৰতিও তগৰ আছিল একাগ্ৰ। সেইবাবে কমলাকান্তই গোপনে পিন্ধোৱা আঙুঠিটো তেওঁ সযত্নে সংৰক্ষণ কৰি ৰাখিছিল। অথচ স্মৃতিৰ স্বাক্ষৰ সেই আঙঠিটোৰ কাৰণে তেওঁ অসহনীয় অপবাদৰ সন্মুখীন হৈছে— পুলিচৰ হাতত তেওঁ নষ্ট চৰিত্ৰৰ বুলি প্ৰতিপন্ন হৈছে। সেইবাবে দ্বিতীয় বাৰ কমলাকান্তক দেখি প্ৰচণ্ড মানসিক যন্ত্ৰণাত তগৰ মূৰ্চ্ছা গৈছে— "ঠিক এই মুখ, এই চকু, ইমান ওখ। মুহূৰ্তৰ কাৰণে তগৰৰ চকুদুটা বিস্ময়-আশ্চৰ্যত ভাষাময় হৈ উঠিল। তাৰ পিছত সাপে ডকা মানুহৰ দৰে মানুহজনীৰ মুখৰ বৰণ নীলা হ'ল।"

গতিকে দেখা যায় যে *জীৱনৰ বাটত* উপন্যাসখনি তগৰৰ কৰুণ জীৱন-কাহিনীক লৈ ৰচনা কৰা। তগৰক কেন্দ্ৰ কৰি কাহিনীৰ প্ৰয়োজনত ঔপন্যাসিকে অন্য চৰিত্ৰবোৰ সৃষ্টি কৰিছে। সেইফালৰ পৰা তগৰ উপন্যাসখনিৰ কেন্দ্ৰীয় চৰিত্ৰ। কাহিনীৰ আদি, মধ্য, অন্তত তগৰৰেই ঘটনাবহুল জীৱন কাহিনী বিবৃত হৈছে। সেইবাবে কোৱা হয়— "জীৱনৰ বাটত উপন্যাসত বহু চৰিত্ৰৰ সমাৱেশ ঘটিছে যদিও তগৰৰ জীৱনালেখ্যই ইয়াৰ প্ৰাণকেন্দ্ৰ।" এই চৰিত্ৰটো উদাৰ নৈতিক চেতনাৰে সংপৃক্ত অসমীয়া গাঁৱলীয়া সমাজৰ প্ৰতিনিধি স্বৰূপ। তগৰৰ চৰিত্ৰটোত সহনশীলতা, নীতিবোধ, কৰ্তব্যনিষ্ঠা, গাম্ভীৰ্য, ধৈৰ্য, একাগ্ৰতা আদি অসমীয়া সমাজৰ সকলোবোৰ ভাল গুণৰেই যেন সমাহাৰ ঘটিছে ।

উপন্যাখনিৰ পুৰুষ চৰিত্ৰবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল কমলাকান্ত আৰু ধৰণী।

- **কমলাকান্ত ঃ** কমলাকান্ত অসমীয়া নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিনিধি। অৱশ্যে আৰম্ভণিতে বিশেষকৈ তগৰক প্ৰেম নিবেদনৰ সময়ত কমলাকান্ত চৰিত্ৰটোৰ কোনো ভেজাল নাছিল। সেইবাবে তগৰে যেতিয়া "দেউতাক নোকোৱাকৈ আপুনি মনে মনে কি কামটো কৰিলে?" বুলি প্ৰশ্ন কৰিলে, তেতিয়া কমলাকান্তৰ মানসিক প্ৰতিক্ৰিয়া মন কৰিবলগীয়া।
  - "তগৰৰ আত্মসন্মানৰ কোনখিনিত নিৰ্মমভাৱে আঘাত কৰিলে কমলাকান্তই বঢ়িয়াকৈ উপলব্ধি কৰিলে। সামান্য ছোৱালী এজনীৰ আত্মসন্মানৰ এনে উগ্ৰ প্ৰীতি দেখি কমলাকান্তৰ অন্তৰ তগৰৰ প্ৰতি গভীৰ শ্ৰদ্ধাত উপচি পৰিল।"
  - "যি হৈ গ'ল তাৰ নিমিত্তে দুখ কৰিলে কি হ'ব? মানুহৰ জীৱনত দুৰ্বল মুহূৰ্তবোৰ আছে, দেখিয়েই আজি মানুহ তেজ-মঙহৰ মানুহ হৈ আছে- অশৰীৰী দেৱতালৈ

ৰূপান্তৰিত হোৱা নাই। ভুল কৰা মানুহৰ যেনেকৈ দোষ আছে, তাৰ সংশোধন সেইদৰেই শ্ৰেষ্ঠ গুণ। ভুল স্বীকাৰত শাস্তি আছে, অপযশ নাই।"

- "গোপনে আজি যি ভুল কৰিলো, প্ৰকাশ্যে তাৰ প্ৰায়শ্চিত্ত অচিৰেই কৰিম। আজিৰ এই ঘটনা মোৰ উন্মত্ত যৌৱনৰ বলিয়ালি নহয়। মোক তুমি বিশ্বাস কৰিবা।"

কমলাকান্তৰ এই উক্তিবোৰত ফুটি উঠিছে— মানৱীয় কামনা-বাসনাৰ প্ৰতি আধুনিক মানৱতাবাদৰ সহজ, আন্তৰিক আৰু সুন্দৰ স্বীকৃতি। কিন্তু পিছত কমলাকান্তই এই মূল্যবোধক নিজেই অৱমাননা কৰিছে। নিজৰ প্ৰতিজ্ঞা ৰাখিব নোৱাৰিলে, আনকি প্ৰতিজ্ঞা ৰক্ষাৰ বাবে সামান্যতম চেষ্টাও নকৰিলে। তগৰক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দি আঙঠি পিন্ধায়ো হাকিম হোৱাৰ আশাত ৰায়বাহাদুৰ মাণিক হাজৰিকাৰ কন্যা সুপ্ৰভাক বিয়া কৰালে। কমলাকান্তই এই প্ৰবঞ্চনা আৰু সুবিধাবাদৰ শিক্ষা লৈছে পিতৃ মহীকান্তৰপৰা। মহীকান্তই অষ্টম মানলৈকে পঢ়া শিক্ষাৰে গাঁৱৰ পৰা চহৰলৈ গৈ চল-চাতুৰীৰে সম্পত্তিৰ মালিক হ'ব বিচৰা চৰকাৰী আমোলা। চিৰস্তাদাৰক গাখীৰ-গুৰৰ টেকেলিৰে ভাৰ-ভেটি দি নকল-নবিচৰ পৰা কেৰাণী চাকৰিটো স্থায়ী কৰি লয়। তাৰ পিছত নিজৰ স্বাৰ্থতে ইমানদিনে গাঁৱৰ আত্মীয় স্বজনৰ লগত থকা সম্পৰ্ক পৰিহাৰ কৰি নগৰত ঘৰ-বাৰী কৰিলে, কিন্তু অপ্ৰয়োজনীয় ব্যয়ৰ পৰা আঁতৰি থাকিল। বৰঞ্চ দৰমহাৰ পইচা কেইটা আনৰ হাতলৈ চক্ৰবৃদ্ধি সুদত এৰি দি অধিক আয়ৰ পথহে সুগম কৰি ল'লে। কমলাকান্তও এই গৰাকী মহীকান্তৰে পুতেক— "কমলাকান্তও বাপেক-ককাকৰ ফুঁটতে উঠা ল'ৰা। যোগ আৰু পূৰণৰ নিয়ম নিয়াৰিকৈ আয়ত্ত কৰিলেও, বিয়োগ আৰু হৰণৰ অংক পৰিপাটিকৈ নিশিকিলে।" কমলাকান্তয়ো চাকৰি জীৱনত চল-চাতুৰীক সহচৰ কৰি ল'ব বিচাৰিছিল। অসমীয়া কৃষকৰ চৰণীয়া পথাৰত বহিৰাগতক 'ভিতৰুৱা লিষ্ট'ৰ পৰা বহুৰাবলৈ চেষ্টা চলাইছিল। আধুনিক নগৰীয়া মধ্যবিত্তীয় মনৰ অস্থিৰতা, অগভীৰতা আৰু সুবিধাবাদেৰে কমলাকান্ত আচ্ছন্ন। কমলাকান্ত উচ্চ শিক্ষিত। দৰ্শনৰ ছাত্ৰ হ'লেও তেওঁৰ কোনো জীৱনবোধ বা আদৰ্শ নাছিল।

কমলাকান্ত পৌৰুষহীন, দুৰ্বল। বৈষয়িক দিশৰ পৰা মাটিৰ হাকিমৰ চাকৰি লাভ কৰিলেও আন বহু দিশৰ পৰা তেওঁৰ আচলতে মৃত্যু ঘটিছে। কমলাকান্তৰ প্ৰেমৰ মৃত্যু, বিশ্বাসৰ মৃত্যু, আদৰ্শৰ মৃত্যু, প্ৰতিজ্ঞাৰ মৃত্যু ঘটিছে। ব্যক্তিগত জীৱনত উন্নতি, সুখ-সম্ভোগৰ মৰীচিকা খেদি আদৰ্শভ্ৰষ্ট হোৱা এটা ব্যক্তিত্বহীন চৰিত্ৰ হ'ল কমলাকান্ত।

কমলাকান্ত, মাণিক হাজৰিকা, মহীকান্ত, মাধৱ মহন্ত আদি একে পৰ্যায়ৰ চৰিত্ৰ। এই চৰিত্ৰসমূহৰ প্ৰসঙ্গত আলোচক হীৰেন গোঁহায়ে কৰা মন্তব্য প্ৰণিধানযোগ্য— "*জীৱনৰ বাটত* উপন্যাসত নতুন জীৱন ধাৰাৰ প্ৰতিনিধিবিলাক আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ। ব্যক্তিগত অৰ্থাগম আৰু প্ৰতিষ্ঠাই সিহঁতৰ জীৱনৰ মূলমন্ত্ৰ। কোনো

ক্রান্তিকাৰী চেতনাৰে, কোনো অভিনৱ তেজস্বিতাৰে সিহঁতে নতুন মূল্যবোধৰ জন্ম দিব পৰা নাই। ইহঁতে বুজি পোৱা একমাত্র নীতি হ'ল ব্যক্তিগত সুখ-সম্পদ। ইহঁতৰ প্রধান সাংস্কৃতিক অৱদান হ'ল ভণ্ডামি আৰু প্রতাৰণা।" কমলাকান্তও এই শ্রেণী চৰিত্রৰ এক যোগ্য প্রতিনিধি। ব্যক্তিগত প্রেমৰ জাগৰণ অন্তৰত অনুভৱ কৰিও শেষ পর্যন্ত সি তাৰ কোনো মূল্য দিয়া নাই। ক্ষুদ্র চাকৰিৰ মোহত, হাকিমৰ জীয়েকৰ প্রতি দৈহিক লালসাৰ মোহত, উচ্চতৰ শ্রেণীৰ জাক্‌জমকৰ মোহত। কাহিনীৰ বিভিন্ন অংশত মেৰুদণ্ডহীন, দুর্বল চৰিত্রৰ যি প্রমাণ কমলাকান্তই দিছে তাৰপৰা প্রতীয়মান হয় যে দেশ বা মানুহ কাৰো প্রতি প্রেম বা নিষ্ঠা ৰাখিব পৰা মানসিক শক্তি তেওঁৰ নাই।

- **ধৰণী ঃ** কমলাকান্তৰ বিপৰীত স্থানত অৱস্থান কৰিছে ধৰণী চৰিত্রই। ধৰণী গান্ধীবাদী আদর্শেৰে পৰিপুষ্ট। তেওঁ মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত অংশ গ্রহণ কৰিছে। ধৰণী অসমৰ থলুৱা সংস্কৃতিৰ প্রতিনিধি। কমলাকান্তৰ দৰে প্রতিষ্ঠা আৰু সম্পত্তিৰ লোভত ধৰণী ব্যাকুল নহয়। দেশৰ মানুহৰ গঞা ৰাইজৰ দুখ-দৈন্যত ধৰণীৰ মন ভাৰাক্রান্ত। আলোচক হীৰেন গোহাঁইৰ ভাষাৰে— "তেৱেই গাঁৱৰ আধুনিকতা আৰু প্রগতিৰ অগ্রদূত।" ধৰণীয়ে ইচ্ছা কৰা হ'লে গাঁৱৰ আন দহ ঘৰৰ দৰে দিন যাওক ৰাতি পুৱাওককৈ খেতি পথাৰতে ধৰি বর্তি থাকিব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি ধৰণীয়ে সর্বসাধাৰণ গাঁৱলীয়া মানুহৰ দুখ-দৈন্য-আঁতৰ কৰাৰ চেষ্টাত আগবাঢ়ি গৈছে।

কমলাকান্তৰ লগত তগৰৰ বিয়াৰ প্রস্তুতি পর্বতে কাহিনীৰ মাজত প্রৱেশ কৰিছে উইভিং মাষ্টৰৰ ৰূপত ধৰণী। লাহে লাহে তগৰৰ ঘৰখনৰ লগত ধৰণীৰ ঘনিষ্ঠতা বাঢ়িবলৈ ধৰিলে। বিশেষকৈ তগৰৰ মাকৰ মৃত্যুৰ সময়ত ধৰণীয়ে যি নিঃস্বার্থ সেৱা আৰু শুশ্রূষা আগবঢ়ালে, সিয়ে তগৰৰ ঘৰখনত ধৰণীক আপোন কৰি পেলালে। অৱশ্যে "তগৰৰ যৌৱনৰ অনৰিমিত ঐশ্বর্যৰ প্রতি ধৰণীৰ মোহ জন্মা অস্বাভাৱিক নহয়। তগৰক লাভৰ কামনাই কল্পনা আৰু সপোনত মাজে মাজে উকি মাৰিছিল।" ঘটনাক্রমে মহীকান্তই কমলাকান্তৰ বাবে তগৰক বিয়া কৰাবলৈ অস্বীকাৰ কৰাত বাপুৰাম বৰাই "এতিয়া আৰু তুমি তগৰক বিয়া কৰাব লাগিব" বুলি প্রস্তাৱ দিয়াত ধৰণী আৰু তগৰৰ বিয়া স্থিৰ হ'ল।

বিয়াৰ পিছত ঘৰ-সংসাৰৰ প্রতি ধৰণী উদাসীন হৈ পৰিল। গান্ধীজীৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনত ধৰণীয়ে সক্রিয়ভাৱে অংশ লৈছে আৰু চাওঁতে চাওঁতে ধৰণী একপ্রকাৰ নেতাত পৰিণত হৈছে। এফালে দেশৰ বৃহত্তৰ স্বার্থৰ চিন্তা আৰু আনফালে তেওঁৰ নিজৰ ঘৰত শাহু-বোৱাৰীৰ কন্দল —এনে পৰিস্থিতি একোটাই ধৰণীক কেতিয়াবা উত্তেজিত কৰি তোলে— "ভেঙুচালিৰে কোৱা মাকৰ কথাত টিঙিৰি তুলা জুইৰ দৰে ধৰণীৰ মুখৰ পৰা ঘপহ কৰে ওলাল— "তহঁত দুয়োজনীয়ে

গোট খাই মানুহজনীৰ মুৰটো চোবাবহে খুজিছ। চকুৰে দেখি আছোঁহক, মানুহজনীৰ অৱস্থাই নাই, তথাপি পানী অনাৰ পৰা ধান খুন্দালৈকে সকলো তাইৰ ওপৰত জাপি দিহে তহঁতৰ সন্তোষ।" —ধৰণীৰ এনে প্রতিবাদ কেৱল তেওঁৰ ঘৰখনৰ বিৰুদ্ধে নহয়, সেয়া যেন বৃটিছ শাসনতন্ত্রৰ বিৰুদ্ধেও এক বিদ্রোহ।

লাহে লাহে ভাৰত ত্যাগ আন্দোলনৰ চোক বাঢ়ি যাবলৈ ধৰিলে। বৃটিছেও অত্যাচাৰ-দমন নীতি কঠোৰভাৱে প্রয়োগ কৰিবলৈ ধৰিলে। বৃটিছে ধৰণীক ধৰিবলৈ চেষ্টা চলাইছে, ফলত ধৰণী পলাই ফুৰিছে, আত্মগোপন কৰিছে। ধৰণীক নাপাই পুলিচে তগৰক থানালৈ নি লঘু-লাঞ্ছনা কৰিছে। সেই বাতৰি পাই ধৰণীয়ে "মুহূর্তৰ ভিতৰতে স্বাধীনতা আন্দোলনৰ নেতৃত্বৰ কথা পাহৰি, বিৰাট জনগণৰ মুক্তিৰ বিধানৰ চিন্তা এৰি তগৰক অপমানৰ পৰা ৰক্ষা কৰিবলৈ উধাতু খাই পথৰুৱা বাটেদি লৰি আহিল।" ধৰণী জেললৈ গ'ল। ঘৰলৈ উভতি আহিল বুকুত ক্ষয়ৰোগৰ বীজাণু লৈ আৰু এই ৰোগতে এদিন ধৰণীৰ মৃত্যু হ'ল। এইদৰে ধৰণীৰ প্রেম, সংসাৰ, দেশসেৱা, কাৰাবৰণ, ক্ষয়ৰোগৰ চিকিৎসা আৰু মৃত্যুৰ দীঘলীয়া বিৱৰণে ঠাই পাইছে। বহুতে ধৰণীৰ মৃত্যুক অসমৰ গ্রাম্য সভ্যতাৰ ক্ষয়িষ্ণু অৱস্থা বা মৃত্যু বুলি অভিহিত কৰিছে।

ধৰণী ঔপন্যাসিকৰ আদর্শ চৰিত্র নহয়। আদর্শাত্মক চৰিত্র হিচাপে অঙ্কন কৰিবলৈ প্রয়াসো কৰা নাই। দেখাত গান্ধীবাদী যেন লাগিলেও, সেই আদর্শৰ একনিষ্ঠ পূজাৰী নহয়। সাময়িক উত্তেজনাইহে তেওঁক স্বাধীনতা সংগ্রামীত পৰিণত কৰাইছে। সেইবাবে নিজৰ পত্নীক উদ্ধাৰ কৰিবলৈ গৈ তেওঁ নিজে পুলিচৰ ওচৰত আত্মসমর্পণ কৰিছে। গান্ধীৰ 'স্বাৱলম্বিতা'ৰ প্রতিও তেওঁৰ বিশেষ আগ্রহ নাই— "ধৰণীয়ে বুজিলে যে তাঁতশালৰ অভাৱতেই গাঁৱৰ মানুহ ডাল-দৰিদ্র, অর্দ্ধ-নগ্ন হোৱাৰ মূল কাৰণ নহয়। লোহাৰ তাঁতশাল বিলালে দুখীয়া মানুহৰ দুখ-দুৰাৱস্থা নুগুচে।" আদর্শক বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্রতো ধৰণীৰ মানসিক দৃঢ়তা নাছিল। সেইবাবে গাঁৱৰ বিধৱাক পতিতা কৰাৰ বাবে দোষীক বিচাৰি ডাক-বঙলালৈ যোৱাৰ সংকল্প ৰাতিটোৰ ভিতৰতে শিথিল হৈ পৰিল। ধৰণী চৰিত্রত তাতকৈ নেতিবাচক দিশটো হ'ল ভাৰ ভেটিৰে বোর্ডৰ চেয়াৰমেনক সন্তুষ্ট কৰি সহজতে নিজৰ ৰহা অঞ্চলতে বয়ন প্রশিক্ষণৰ চাকৰি এটা যোগাৰ কৰাটো। সেইবাবে ক'ব পাৰি যে ধৰণী স্বাধীনতা সংগ্রামী আছিল যদিও সকলো ফালৰ পৰা দোষমুক্ত চৰিত্র নাছিল।

➢ **কমলাকান্তৰ মাক ঃ** *জীৱনৰ বাটত* উপন্যাসৰ পার্শ্ব চৰিত্রসমূহৰ ভিতৰত এটা উল্লেখযোগ্য চৰিত্র হ'ল কমলাকান্তৰ মাক। নাৰী চৰিত্রসমূহৰ ভিতৰত মৌজাদাৰনী, নাদুকী, পাভৈ, প্রমিলা আদি যিমানেই কঠুৱা নহওক, কমলাকান্তৰ হোজা গাঁৱলীয়া মাকৰ কথা-বতৰাত ফুটি উঠিছে এক অকৃত্রিম মানবীয়তা, এক সহজাত ন্যায়বোধ আৰু এক তীব্র আত্মসন্মানবোধ। তগৰৰ সৈতে বিয়া ভাঙিবলৈ অলপো কুণ্ঠাবোধ

নকৰা মহীকান্তৰ লগত কমলাকান্তৰ মাকৰ বাক্-বিনিময়ে সেই কথাৰ প্ৰমাণ দাঙি ধৰে—

"মাক মৰা ছোৱালীজনী আনিম বুলি কথা দি ইমান দিন ৰখাই থৈ এতিয়া মাজ মূ�ৰকত সম্পৰ্ক ভাঙিলে কথা ভাল হ'ব নে? জীয়ৰী ছোৱালী উলিয়াই দিয়া এনেয়ে টান, তাতে এবাৰ সম্বন্ধ হৈ ভঙা ছোৱালীক সকলোৱে এঙাব। বাৰে শত্ৰু হ'লেও এনে কাম কৰিব নোৱাৰি।"

"আমাৰ গাত কিহৰ দায়? লোকৰ ছোৱালী উদ্ধাৰ কৰিবলৈ গৈ নিজৰ লৰাৰ মূৰ খাব নোৱাৰি নহয়।"

মহীকান্তৰ এনে উত্তৰত তেওঁ পুনৰ কৈছে —

— "ৰায়বাহাদুৰৰ ছোৱালী আহি আমাক তৰাবহি? থওঁক থওঁক, সেইযাৰ নকৰ।"

— "আঃ তুমি অলপো নুবুজা। পুতেৰা যদি হাকিম হয়— চাই থাকিবা ৰায়বাহাদুৰৰ সহায়তহে।"

— 'থৈ দিয়ক। সাঁতোৰ সাতোঁৰ নিজ বাউসিৰে, সাতুৰিব নোৱাৰিলে যা ৰসাতলে। ল'ৰাই ভালকৈ পাছ কৰাত চৰকাৰে যেনেকৈ দুকুৰি টকীয়া জলপানী দিছে, সেইদৰে চাকৰিও দিব।"

মহীকান্তৰ লগত ঘৈণীয়েকৰ এনে উক্তি-প্ৰতুক্তিৰ মাজেৰে— সাধাৰণ অশিক্ষিতা গাঁৱলীয়া তিৰোতা এগৰাকীৰ মানৱীয় মূল্যবোধৰ গভীৰতাৰ আভাস পোৱা যায়। ঘৈণীয়েকৰ মানৱীয় আবেদনপূৰ্ণ যুক্তিত মহীকান্ত ম্লান পৰি গৈছে। আমাৰ গ্ৰাম্য সমাজত নাদুকী, জেতুকী আদি চৰিত্ৰৰ মাজত যেন কমলাকান্তৰ মাক উজ্জ্বল নক্ষত্ৰ স্বৰূপ। উপন্যাসখনৰ সামান্য অংশ এটাত ভুমুকি মৰা এই চৰিত্ৰটো ঔপন্যাসিকৰ এক ব্যতিক্ৰমধৰ্মী সৃষ্টি।

উপন্যাসখনিত বৰ্ণিত হাজৰিকা, মহীকান্ত, শুনদ এই তিনিওটা চৰিত্ৰৰ সাদৃশ্য আছে। তিনিওটা চৰিত্ৰই সুবিধাবাদী, হাজৰিকা নগৰীয়া উচ্চবিত্তৰ প্ৰতিনিধি। শাসকৰ লগত সহযোগিতা কৰি বিপুল সম্পত্তিৰ মালিক হোৱাটো যাৰ একমাত্ৰ উদ্দেশ্য। মহীকান্ত নগৰীয়া মধ্যবিত্ত। তেওঁৰ ইচ্ছা হ'ল উচ্চবিত্ত শ্ৰেণীলৈ উত্তৰণ কৰা। শুনদ গ্ৰামীন সুবিধাবাদী, শোষক। নিৰ্বলী আৰু অসহায় মানুহক পাকে প্ৰকাৰে শোষণ কৰি নিজৰ ধনৰ ভঁৰাল টনকীয়াল কৰাতো তেওঁৰ অন্যতম লক্ষ্য। আহিনী, পাভৈ, জেতুকী অসমীয়া গ্ৰামীন সভ্যতাৰ পটভূমিত সৃষ্টি কৰা এলান্ধুমলিন চৰিত্ৰ। কুৎসা ৰটনা, ঈৰ্ষাপৰায়ণতা, নিম্ন ৰুচি এইবোৰ চৰিত্ৰৰ সাধাৰণ বৈশিষ্ট্য। এই এলান্ধুমলিন বৃত্তৰ পৰা আহিনী এদিন ওলাই আহিছে। কিন্তু বাকীবোৰ এতিয়াও সেই অন্ধকুপত জীৱন যাপন কৰি আছে। তগৰৰ বিপৰীত বিন্দুত অৱস্থান কৰিছে সুপ্ৰভা চৰিত্ৰই। এই চৰিত্ৰটিৰ যোগেৰে ধনতান্ত্ৰিক সভ্যতাৰ ফোঁপোলা স্বৰূপ উদঙাই দেখুৱাবলৈ চেষ্টা কৰা হৈছে। ব্যক্তিগত সুখ-সম্ভোগ, লাহ-বিলাসত সুপ্ৰভা ব্যস্ত।

- **গোলাপ ডাক্তৰ ঃ** উপন্যাসখনিত পুৰুষ চৰিত্রসমূহৰ ভিতৰত ত্যাগ আৰু মানৱ সেৱা— এই দুটা গুণে গোলাপ ডাক্তৰৰ চৰিত্রটো উজলাই তুলিছে। ডাক্তৰৰ উদাৰতা, মানৱীয়তা, সহৃদয়তা, মনুষ্যত্বৰ তুলনা নাই। সেৱাৰ আদর্শেৰে উদ্বুদ্ধ, সেৱাৰ মন্ত্রেৰে দীক্ষিত গোলাপ ডাক্তৰৰ আদর্শগত ধ্যান-ধাৰণাক সমাজে কিন্তু মূল্য দিব নাজানিলে। বৰং তগৰৰ লগত অবৈধ প্রণয়ৰ কলঙ্ক জাপি দি মানৱীয় মূল্যবোধক কুঠাৰাঘাত কৰাহে হৈছে। তথাপি গোলাপ ডাক্তৰ আন্ধাৰৰ মাজতো যেন এচাটি-বিজুলি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে বিৰিঞ্চি কুমাৰ বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাসখনিত নাৰী পুৰুষ, সৰু-বৰ, গাৱলীয়া-নগৰীয়া, ইতিবাচক-নেতিবাচক আদি ভালেমান চৰিত্রৰ সমাবেশ ঘটিছে। ঔপন্যাসিকৰ দক্ষতা এইখিনিতে যে তেওঁ প্রতিটো চৰিত্রকে নিখুঁত তথা বৈশিষ্ট্যপূর্ণ ৰূপ দিয়াত সফল হৈছে। উপন্যাসখনৰ সফলতা আৰু জনপ্রিয়তাৰ ইয়ো এটা অন্যতম কাৰণ।

৪.৫.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

- সমালোচকসকলৰ কথাত সুৰ মিলাই ক'বলৈ গ'লে *জীৱনৰ বাটত* উপন্যাসখনে এপিকৰ মাত্রা লাভ কৰিছে। ইয়াত কেৱল তগৰ আৰু কমলাকান্তৰ আধৰুৱা প্রেম গাথাই বর্ণিত হোৱা নাই। তাৰ লগতে এই কাহিনীত এখন সমাজৰ উত্থান-পতন আৰু বিৱর্তনৰ ইতিহাস লিপিবদ্ধ হৈছে। ইয়াত গ্রামীন সভ্যতাই নগৰীয়া সভ্যতালৈ পর্যবশিত হওঁতে যি সংঘাত-বেদনাৰ সৃষ্টি হৈছিল, তাৰ মহাকাব্যিক গাথা বিবৃত হৈছে। অসমীয়া সমাজ জীৱনৰ বিৱর্তনৰ বেলিকাও *জীৱনৰ বাটত* এক গুৰুত্বপূর্ণ দলিল স্বৰূপ। সেয়েহে এইখন উপন্যাসৰ আবেদন আজিও উপলব্ধি হয়।
- নৰ-নাৰীৰ সম্পর্কৰ অনাৱিষ্কৃত দিশ কিছুমান এই উপন্যাসখনত উন্মোচিত কৰিবলৈ ঔপন্যাসিক সচেষ্ট হৈছে। সমসাময়িক সমাজৰ পৃষ্ঠভূমিত বিৰিঞ্চি কুমাৰ বৰুৱা অর্থাৎ বীণা বৰুৱাৰ এই প্রচেষ্টা এক সাহসী পদক্ষেপ স্বৰূপ। কিন্তু তেওঁৰ চৰিত্রসমূহ নৈতিকতা আৰু সামাজিক মূল্যবোধৰ গণ্ডীৰ পৰা আঁতৰি অহা নাই। বৰঞ্চ দুখ-লাঞ্ছনা আৰু অতৃপ্ত কামনাৰ হলাহল পান কৰি সিবিলাক চৰিত্রই ৰক্ত মাংসৰ শৰীৰ ধাৰণ কৰা মানুহ ৰূপে নিজৰ পৰিচয় বর্তাই ৰাখিছে আৰু পাঠককো তেওঁলোকৰ জীৱনৰ অপূর্ণতাৰ প্রতি সহানুভূতিশীল কৰি তুলিছে।
- প্রখ্যাত চিন্তাবিদ আৰু লেখক-সমালোচক হীৰেন গোঁহায়ে এই উপন্যাসখনৰ আলোচনাৰ প্রসঙ্গত কৈছে যে ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱাই অসমৰ পৰিৱেশত থকা জীৱন-যাত্রাৰ বিভিন্ন আর্হিৰ মাজেৰে সন্ধানী দৃষ্টিৰে অন্বেষণ চলাই এক সুস্থ, পূর্ণাঙ্গ জীৱনৰ আদর্শ ইঙ্গিতেৰে অঙ্কন কৰিছে।

- গ্ৰামীন সমাজ চিন্তা আৰু নগৰীয়া সমাজ চিন্তাৰ মাজত থকা সংঘাত উপন্যাসখনৰ এটা আকৰ্ষণীয় বৈশিষ্ট্য। গাঁও আৰু নগৰীয়া জীৱনৰ এই সংঘাতে ব্যক্তি জীৱনৰ স্বাভাৱিক গতিত যি প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে তাৰ এক উজ্জ্বল দৃষ্টান্ত হ'ল তগৰৰ প্ৰতিঘাতপূৰ্ণ জীৱন গাথা।
- সমাজ জীৱন বিশ্বাস-অবিশ্বাস, সংস্কাৰ-কুসংস্কাৰ, পৰম্পৰা আদিৰ আধাৰত বৰ্তি থাকে। অসমীয়া সমাজখনো ইয়াৰ ব্যতিক্ৰম নহয়। *জীৱনৰ বাটত* উপন্যাসখনত অসমীয়া সমাজ জীৱনৰ এক সামগ্ৰিক ৰূপ উদ্ভাসি উঠিছে। এই পূৰ্ণাঙ্গতা প্ৰদৰ্শনে উপন্যাসখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।
- *জীৱনৰ বাটত* উপন্যাসখনে আমাক অসমীয়া সমাজখন হাড়ে-হিমজুৰে উপলব্ধি কৰাত সহায় কৰে। উপন্যাসখনৰ বিভিন্ন পৃষ্ঠাত উদ্ভাসিত হোৱা টুকুৰা-টুকুৰ চিত্ৰসমূহে আমাৰ চিনাকি অসমীয়া সমাজখনৰ বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতি, আচাৰ-অনুষ্ঠানৰ বোধ দিয়ে। আমাৰ দেশৰ স্বাধীনতা প্ৰাপ্তিৰ কিছুদিনৰ পিছতে প্ৰকাশিত হোৱা *জীৱনৰ বাটত* উপন্যাসখনৰ পটভূমি বিচাৰ কৰিলে আমি দেখিম যে তাত ভাৰতীয় জাতীয় আন্দোলনৰ কেতবোৰ টুকুৰা চিত্ৰ সংযোজিত হৈছে। তাৰ লগতে আছে স্বদেশী বস্ত্ৰ প্ৰচলনৰ কথা। স্বদেশী বস্ত্ৰৰ প্ৰচলনৰ দ্বাৰা মহাত্মা গান্ধীৰ নেতৃত্বত গঢ় লৈ উঠা স্বদেশী বস্ত্ৰ প্ৰচলন আন্দোলনৰ মূল উদ্দেশ্য আছিল ভাৰতীয় জনতাক আত্মনিৰ্ভৰশীল কৰা। কিন্তু গান্ধীজীৰ এই মহৎ উদ্দেশ্যৰপথত কেতবোৰ আনুষঙ্গিক বাধা আহি থিয় হৈছিল। উপন্যাসখনৰ উল্লেখযোগ্য পুৰুষ চৰিত্ৰ ৰজনী মাষ্টৰে গাঁৱৰ শিপিনীসকলক স্ব-নিয়োজনৰ সুবিধা দিবলৈ যাওঁতে সন্মুখীন হোৱা অৰ্থনৈতিক আৰু সামাজিক প্ৰতিবন্ধকতাসমূহ ইয়াৰ পৰিণতি। সেই সময়ত দেশৰ চলিত অৱস্থাৰ বিষয়ে সূক্ষ্মবোধ থকাৰ বাবে ঔপন্যাসিক বৰুৱাৰ বাবে এনে কৰা সম্ভৱ হৈছিল। ই উপন্যাসখনৰ আন এটা বৈশিষ্ট্যপূৰ্ণ দিশ।
- নাৰী মনৰ বিচিত্ৰ অভিব্যক্তি ফুটাই তোলাত ঔপন্যাসিক কৃতকাৰ্য হৈছে। গাঁৱৰেই হওক বা নগৰীয়া জীৱন চিন্তাৰে উদ্বুদ্ধ হৈ লালিত-পালিত হোৱা নাৰীয়েই হওক, নাৰীৰ মনোজগতত ক্ৰিয়া কৰা অকৃত্ৰিম ভাব-অনুভূতিবোৰ সকলো প্ৰান্ততে একেই। সেয়েহে তগৰৰ হিয়াৰ গহীন প্ৰান্তৰ পৰা ওলাই অহা হতাশাৰ হুমুনিয়াহ আৰু কমলাকান্তৰ পত্নী সুপ্ৰভাই গুণ গুণাই থকা ৰবীন্দ্ৰ সঙ্গীতৰ কলি কেইটাত এটা আশাহত আত্মাৰ বিননিৰ বাদে আন একো নাই। সেইদৰে ৰজনীহঁতৰ গাঁৱৰ স্ত্ৰী চৰিত্ৰকেইটাৰ মানসিকতা আৰু কথা-বতৰাত নাৰী মনৰ সেই বিচিত্ৰ ৰূপৰ নিভাঁজ অভিব্যক্তি প্ৰকাশ পাইছে।
- অসমীয়া সাংস্কৃতিক চিন্তাৰ দিশৰ পৰা বিচাৰ কৰিলেও *জীৱনৰ বাটত* উপন্যাসখন এক সাৰ্থক দলিল স্বৰূপ। ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱা অসমত সাংস্কৃতিক ক্ষেত্ৰৰ এগৰাকী লেখৰ গৱেষক পণ্ডিত আছিল। গতিকে তেওঁৰ সেই গভীৰ

পাণ্ডিত্য তেওঁৰ সৃষ্টিশীল ৰচনাৰ মাজলৈকো সংক্রমিত হৈছিল। পৰিণাম স্বৰূপে উপন্যাসখনৰ সৌষ্ঠৱ বৃদ্ধি হয়।

ইয়াৰ বাহিৰেও *জীৱনৰ বাটত* উপন্যাসখনৰ অন্য বহুতো মনোজ্ঞ দিশ পৰিলক্ষিত হয় যিয়ে উপন্যাসখনক বৈশিষ্ট্যপূর্ণ ৰচনাকৃতি ৰূপে প্রতিষ্ঠা কৰাত সহায় কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *জীৱনৰ বাটত* উপন্যাসখনত ঔপন্যাসিক গৰাকীয়ে গ্রাম্য সমাজৰ চিত্র সৰসভাৱে তুলি ধৰিব পাৰিছে নে?
(১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ২ ঃ *জীৱনৰ বাটত* উপন্যাসখনত সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।
(১৫০টা শব্দৰ ভিতৰত লিখক)

৬.৪ উপন্যাসখনত প্রতিফলিত হোৱা গাঁৱলীয়া সমাজ জীৱনৰ চিত্র

সাহিত্য সমাজৰ দাপোণ। সেইবাবে সাহিত্যত সমাজৰ চিত্র প্রতিফলিত হয়। বিৰিঞ্চি কুমাৰ বৰুৱা এহাতে আছিল লোক-সংস্কৃতিৰ গৱেষক, আনহাতে আছিল সমাজতত্ত্বদর্শী ঔপন্যাসিক। সেইবাবে তেওঁৰ *জীৱনৰ বাটত* উপন্যাসত সেই সময়ৰ অসমীয়া সমাজৰ প্রায় প্রতিটো চিত্রই জীৱন্ত ৰূপত ভূমুকি মাৰিছে। উপন্যাসখনি সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে জীৱনৰ বাটত উপন্যাসত দুখন সমাজৰ চিত্র পৰিস্ফুট হৈছে— এখন হৈছে পৰম্পৰাগত অসমীয়া গ্রাম্য সমাজ আৰু আনখন হৈছে নগৰীয়া মধ্যবিত্ত সমাজ, যাক হীৰেন গোঁহাইয়ে কৈছে 'চহৰীয়া বাবু সমাজ'। তলত পর্যায় ক্রমে দুয়োখন সমাজ উপন্যাসখনিত কিদৰে বিবৃত হৈছে সেই বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

জীৱনৰ বাটত উপন্যাসত বিৰিঞ্চি কুমাৰ বৰুৱাই পৰম্পৰাগত অসমীয়া গাঁৱলীয়া সমাজৰ পূর্ণাঙ্গ চিত্র এখনি দাঙি ধৰা বুলি ক'লেও বঢ়াই কোৱা নহয়। অসমীয়া সমাজৰ বিয়া-বাৰু, উৎসৱ-পার্বণ, জন্ম-মৃত্যু, অন্ধ বিশ্বাস-কু-সংস্কাৰ, ইর্ষা-কুৎসা, পিন্ধন-উৰণ, ৰন্ধা-বঢ়া, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদি এনে এটা দিশ নাই, যিটো উপন্যাসখনিত তেজ মঙহৰ দৰে লাগি থকা নাই। উপন্যাসখনিৰ আৰম্ভণিতে এখন বিয়াৰ বর্ণনা আছে। মৌজাদাৰ ভোগদত্তৰ জীয়েকৰ বিয়া। এই বিয়াখনৰ মাজেৰে পৰিস্ফুট হৈছে অসমীয়া গাঁৱলীয়া সমাজৰ বিয়া-উৎসৱৰ আকর্ষণীয় চিত্র—

> গাঁৱৰ বিয়া বুলিলেই ৰাজহুৱা উৎসৱ। তাতে মৌজাদাৰৰ ঘৰত বহুদিনৰ মূৰত এইখন বিয়া। গাঁৱৰ ল'ৰা-ছোৱালী, ডেকা-গাভৰুৰ ৰং-ৰহইচ আনন্দৰ পাৰ নোপোৱা হৈছে। ডেকা ল'ৰাহঁতে জোৰণৰ দিনাৰ পৰা বৰ বিয়ালৈ ৰাতিলৈকে কি ভাওনা পাতিব তাৰ দিহাত লাগিছে।

হোমৰ গুৰিলৈ ছোৱালী আনিবলৈ নির্দেশ হ'ল। ভিতৰত শেষবাৰলৈ হৈ-চৈ লাগিল। ছোৱালী কান্দি-কাটি অস্থিৰ। তলৰপৰা ওপৰ মূৰ কৰিব নোৱাৰা হৈছে। তাতে এই তিনিদিন ব্ৰত, বেজাৰ, উপবাসত তেনেই লেতু-সেতু হৈ পৰিছে। কন্যাতকৈ কন্যাৰ মাকৰ অৱস্থা আৰু দুখলগা। কামে-কাজে লাগি বিয়াঘৰৰ হুলস্থুলৰ মাজত দিনটো নিজকে পাহৰি আছিল। কিন্তু সুৱাগুৰি তুলি অহাৰ পিছৰেপৰা মাকৰ চকুপানীয়ে বাট নেদেখা হৈছে।... ... ছোৱালীক ৰভাৰ তললৈ নিয়াৰ আগতে সেৱা কৰিবলৈ দৰাৰ সম্বন্ধীয়া এজনে হাতত তামোল-পাণৰ শৰাই লৈ তিৰোতা সমাজত সোমাল— মান ধৰিবলৈ।'

এনে বহু আকর্ষণীয় পৰিৱেশেৰে ঔপন্যাসিকে সামগ্ৰিকভাৱে বিয়া উৎসৱৰ হুবহু চিত্র দাঙি ধৰিছে।

তগৰৰ সংঘাতপূর্ণ জীৱন-কাহিনী বর্ণনা কৰিবলৈ যাওঁতে অসমৰ লোক-সংস্কৃতিৰ গৱেষক-পণ্ডিত বিৰিঞ্চি কুমাৰ বৰুৱাৰ কাপত পৰিস্ফুট হৈছে অসমৰ গাঁৱলীয়া সমাজৰ সজীৱ চিত্র। অসমৰ গাঁৱলীয়া সমাজত মহাপুৰুষীয়া সংস্কৃতিৰ প্ৰভাৱ অতি গভীৰ। অনাখৰী লোকেও কীর্তন-দশম, অঙ্কীয়া নাটৰ পদ সুন্দৰকৈ গাব পাৰে। উপন্যাসখনৰ বহু ঠাইত, কেইবাটাও চৰিত্রৰ মুখত ঔপন্যাসিকে তেনে ধৰণৰ গীত-পদ দিছে। মৌজাদাৰৰ জীয়েকৰ বিয়াৰ বন কৰি থাকোঁতে তগৰে গুণ-গুণকৈ গাইছে—

"পৰম পুৰুষ পীউ ভেলি মুৰাৰি,
জনম সফল সখি হুবহু হামাৰি।
নাহি মোহে সম সৌভাগিনী মাই—"

একেদৰে—

"ঘন ঘন মুৰুচি পৰয় বৰ নাৰী,
ফোঁকাৰয় শ্বাস নয়নে জুৰে বাৰি।"

অসমীয়া নাৰী নিপুণ শিপিনী। উপন্যাসখনত অসমীয়া নাৰীৰ শিপিনী ৰূপ সুন্দৰভাৱে প্ৰকাশ পাইছে। তগৰে নিজ হাতে ফুলতোলা টেবুল ক্লথ এখনি কমলাকান্তক উপহাৰ দিছে। বয়ন শিক্ষক ধৰণীয়ে গাঁৱে গাঁৱে নাৰীসকলক বোৱা-কটা বন শিকাই ফুৰিছে। বিধৱা তগৰে তাঁতৰ বন কৰিয়েই পেট প্ৰৱর্তাইছে। আনকি নগৰীয়া উচ্চবিত্ত ৰায়বাহাদুৰ মাণিক হাজৰিকাৰ কন্যা, হাকিম কমলাকান্তৰ ঘৈণীয়েক সুপ্ৰভাৰো বোৱা-কটাৰ প্ৰতি ধাউতি আছে। গাভৰু তগৰৰ বয়ন কর্ম সম্পর্কে ঔপন্যাসিকে মন্তব্য কৰিছে— "চাৰিওফালে সূতাৰ কাম কৰা এখনি ধুনীয়া টেবুল ক্লথ। ভালকৈ খোলাত দেখিলে- এটি পদুম পাতৰ আঁৰত ফুল আৰু এটা কলি। পাত, ফুল, কলি-- তিনিওটা ভিন্ ভিন্ ৰঙৰ সুতাৰে তোলা। যি গৰাকী শিপিনীয়ে তুলিছে তেওঁৰ যে কেবল চিত্র কেইটাৰ যথাস্থিত অৱস্থাৰ বিষয়েহে জ্ঞান আছে, এনে নহয়; ৰং সামঞ্জস্যৰ জ্ঞানৰ পৰিচয়ো তাৰ মাজেদি শিপিনীৰ অন্তৰৰ ভাৱ সুন্দৰ ৰূপেই ফুটি ওলাইছে।"— এনে বর্ণনাৰ জৰিয়তে অসমীয়া নাৰীৰ সৌন্দর্য পিয়াসী ৰূপো ফুটি উঠিছে।

জীৱনৰ বাটত উপন্যাসত যে অসমীয়া নাৰীৰ কেৱল গুণৰাজি বা ভাল কথাবোৰহে আছে, এনে নহয়। সাতামপুৰুষীয়া অন্ধবিশ্বাস, কু-সংস্কাৰত পোত গৈ থকা নাৰীৰ কুৎসিত ৰূপো কাহিনীৰ মাজেৰে ফুটি ওলাইছে। শান্ত, নম্ৰ আৰু সুচৰিতা তগৰৰ জীৱন যন্ত্ৰণাময় কৰি তোলাত গ্ৰাম্য নাৰীৰ অপপ্ৰচাৰ তথা মানসিক অত্যাচাৰেও অৰিহণা যোগাইছে। তগৰৰ পিতৃ বাপুৰাম বৰাই তেনে অপবাদক সঁচা বুলি ভাবি, ধৰণীৰ লগত তগৰৰ অবৈধ সম্পৰ্ক থকা বুলি পতিয়ন গৈ খৰখেদাকৈ তগৰক ধৰণীলৈ বিয়া দিছে। ন-কইনা ৰূপে তগৰৰ ধৰণী ঘৰত উপস্থিত হোৱাৰ পিছত গ্ৰাম্য নাৰীৰ কুৎসা-ৰটনা চৰম পৰ্যায় পাইছে —

> "মুখৰ পিকখিনি দূৰলৈ মাৰি পখিলাই মাতটো সৰুকৈ সুধিলে— 'গাত কিবা আঁসোৱাহ আছে নেকি?"
>
> নাদুকীয়ে মূৰটো থিয় কৰি পানীৰ যুঁৱলীলৈ নামি যোৱা দেখি মুখখন কাণত ফুচ্‌ফুচাই ক'লে— "গাৰ লেঠাৰ কথা সুধিছানে? এটা বোলে খহাই আহিছেই। তাতেহে আকৌ খৰখেদাকৈ ছোৱালী উলিয়াই দিবলৈ বাপেকৰ তত হেৰাল।"

উপন্যাসখনত অসমীয়া কৃষকৰ বিপদ-সম্পদ তথা জীৱন সংগ্ৰামৰ চিত্ৰ আছে। সমাজৰ সুবিধাবাদীসকলে কিদৰে দৰিদ্ৰ কৃষকক শোষণ কৰি সৰ্বস্বান্ত কৰে, তাৰ মৰ্মস্পশী চিত্ৰও কাহিনীৰ মাজেৰে ফুটি ওলাইছে। মহীকান্ত বৰুৱা, ৰাম নাৰায়ণ বাবু, শুনদ আদিৰ শোষণৰ বলি হৈছে গাঁৱলীয়া কৃষক। অভাৱ-অনাটন, অস্বাস্থ্যকৰ পৰিৱেশ আৰু সুচিকিৎসাৰ অভাৱত অসমীয়া গাঁৱলীয়া দৰিদ্ৰ কৃষকে যমৰ যাতনা ভুগি মৃত্যুমুখত পৰিবলগীয়া হয়। মৃত্যু যেন তেওঁলোকৰ কাৰণে এটা সাধাৰণ ঘটনা। কৃষক পৰিয়ালৰ এনে উপায়হীন, হতাশাৰ ছবি সুন্দৰকৈ প্ৰকাশ কৰিছে— "বিধৱা ফেচেউৰ বৰটো ল'ৰা সান্নিপাত জ্বৰতেই ঢুকাইছে। সৰুটোকো সেই একে জ্বৰেই ধৰিছে। বৰ ল'ৰাটোক বন-দৰব খুৱাওতেই মৰিল। সেই কাৰণে ফেচেউৱে এইবাৰ তাত বিশ্বাস এৰি কন্দৰ্প কবিৰাজৰ শৰণাপন্ন হৈছে। কবিৰাজে দয়া কৰি বড়ি ছয়টা দিছে। কিন্তু তাৰ লগত অনুপান বিচাৰি নেপাই বেচেৰীয়ে হতাশ হৈ মূৰে কপালে হাত দি পুতেকৰ ওচৰত বহিছে।"

এয়া আছিল সেই সময়ৰ সৰ্বসাধাৰণ অসমীয়া খেতিয়কৰ দুৰ্দশাগ্ৰস্থ জীৱনৰ ছবি। অৱশ্যে উপন্যাসখনিত কৃষকৰ আনন্দ আৰু সুখৰ দিনৰ ছবিও আছে। কঠোৰ পৰিশ্ৰমৰ অন্তত কৃষকে যেতিয়া সোণালী শইচ ছপাবলৈ সক্ষম হয়, তেতিয়া তেওঁলোকৰ মন প্ৰাপ্তিৰ আনন্দত নাচি উঠে। দুগুণ উৎসাহেৰে তেওঁলোক নিজৰ কৰ্মত নিয়োজিত হয়। ঔপন্যাসিকে অসমীয়া কৃষকৰ পৰম সম্পদ সোণালী ধানৰ এটি মনোমোহা চিত্ৰ এনেদৰে অঙ্কন কৰিছে— "ধান, ধান, ধান। চোতালত ধান, ভঁড়ালত ধান, চ'ৰাঘৰত ধান। পথাৰে-ঘৰে, বাহিৰে-ভিতৰে সৰ্বত্ৰতে সোণালী ধানৰ মণি-মুকুতা সিচঁৰতি হৈ পৰিছে। পকা ধানৰ গোন্ধত উত্ৰাৱল হৈ জাকে জাকে শুকানি ফৰিঙে চিৰিং-চিৰিংকৈ চিঞৰি উৰি ফুৰিছে। মতা-তিৰোতা, ল'ৰা-ছোৱালী কাৰো ক্ষন্তেক জিৰণি ল'বলৈ আহৰি নাই। দোৱা, ডাঙৰী কঢ়িওৱা, মৰণা মৰাত সকলো ব্যস্ত। ডেকা-গাভৰু সকলোৰে মুখ আনন্দত উজ্জ্বল, চকুত সঞ্চয়ৰ স্বপ্ন" —এয়া আঘোণ মহীয়া অসমীয়া কৃষকৰ ব্যস্ততাৰে ভৰা জীৱন্ত চিত্ৰ। একেদৰে অসমীয়া কৃষকৰ সেউজী সপোন ছিন্ন-ভিন্ন কৰা বানপানী

আৰু খৰাং বতৰৰ কথাও ঔপন্যাসিকে পাহৰা নাই— "কোনো বছৰ অগা-পিছাকৈ দুটা বানপানী আহে, কোনো বছৰ আকৌ ফাগুণৰ পৰা একেবাৰে বৰষুণ নহৈ কামপু�ৰৰ পৰা ফুলগুৰিলৈকে পথাৰত খেতি নষ্ট কৰি ৰায়তৰ অৱস্থা পানী পৰঠুৱা কৰিব লাগিছে।"

এনেদৰে ঔপন্যাসিকে তেওঁৰ বাস্তৱ অভিজ্ঞতাৰ ভেটিত কাহিনীৰ মাজেৰে অসমীয়া গাঁৱলীয়া সমাজ জীৱনৰ চিত্ৰ ফুটাই তুলিছে। সেইবাবে এই ছবি সজীৱ আৰু আকৰ্ষণীয়। গাঁৱলীয়া সমাজৰ ভাল আৰু বেয়া দুয়োটা ৰূপকে সামৰি লোৱা বাবে *জীৱনৰ বাটত* উপন্যাসখনিক অসমীয়া গ্ৰাম্য সমাজৰ দলিল বুলি অভিহিত কৰা হয়।

৬.৫ উপন্যাসখনত প্ৰতিফলিত হোৱা নগৰীয়া সমাজ জীৱনৰ চিত্ৰ

জীৱনৰ বাটত উপন্যাসখনিত কেৱল যে গ্ৰাম্য জীৱনৰ চিত্ৰহে আছে, এনে নহয়। নগৰীয়া বা মধ্যবিত্ত শ্ৰেণীৰ জীৱন চিত্ৰও ফট্‌ফটীয়াকৈ প্ৰকাশ পাইছে। উপন্যাসখনিত অঙ্কিত হৈছে অসমৰ নগৰীয়া সুবিধাবাদী মধ্যবিত্ত আৰু গ্ৰাম্য কৃষিজীৱী সমাজৰ মাজত সংঘাতৰ চিত্ৰ। শিক্ষা-দীক্ষা, চাকৰি-বাকৰি, ঠিকা-ঠুকলি আদিৰ সুবিধা গ্ৰহণ কৰি গাঁৱৰ পৰা চহৰমুখী হোৱা মধ্যবিত্ত শ্ৰেণীটোৱে কৃষিজীৱী সমাজখনক শোষণ-বঞ্চনা কৰিছে। কমলাকান্ত, মহীকান্ত, শুনদ আদি মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিভূ। মহীকান্তই মাণিক হাজৰিকাৰ ছোৱালী সুপ্ৰভাক পুতেকলৈ বিয়া কৰাই উচ্চবিত্ত সমাজখনত খোজ পেলোৱাৰ সপোন দেখিছে। তাকে কৰিবলৈ গৈ তেওঁ তগৰৰ লগত হোৱা বিয়াৰ সম্পৰ্কটো ভাঙিবলৈ কুণ্ঠাবোধ কৰা নাই। কমলাকান্তই তগৰক প্ৰতিশ্ৰুতি দিও প্ৰতাৰণা কৰিছে। সেইবাবে কোৱা হয়— "*জীৱনৰ বাটত* উপন্যাসৰ নতুন জীৱনধাৰাৰ প্ৰতিনিধিবিলাক আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ। ব্যক্তিগত অৰ্থাগম আৰু প্ৰতিষ্ঠাই সিহঁতৰ জীৱনৰ মূলমন্ত্ৰ। কোনো ক্ৰান্তিকাৰী চেতনাৰে, কোনো অভিনৱ তেজস্বিতাৰে সিহঁতে নতুন মূল্যবোধৰ জন্ম দিব পৰা নাই।সিহঁতে সৃষ্টি কৰিছে মাণিক হাজৰিকাৰ দৰে ফোঁপোলা,আড়ম্বৰ সৰ্বস্ব ধনকুবেৰ, সোণাৰাম মণ্ডলৰ দৰে স্বাৰ্থপৰ যুৱক— যি গাঁৱৰ আজলী বাঁৰী দুখুনীক তুলি দিছে কোনো চহৰীয়া বাবুৰ লালসাৰ চিকাৰ হিচাপে, ডিম্বেশ্বৰ দোকানীৰ দৰে ব্যৱসায়ী, যি গাঁৱৰ সহায়হীন কৃষকৰ নাম মাৰোৱাৰী মহাজনৰ খাতাত তুলি সৰ্বশ্ৰান্ত কৰাত সহায় কৰিছে। ইহঁত সকলোৱেই দেশৰ জনগণৰ বিশ্বাসহন্তা প্ৰতাৰক। ইহঁতে বুজি পোৱা একমাত্ৰ নীতি হ'ল ব্যক্তিগত সুখ-সম্পদ।"

মধ্যবিত্ত শ্ৰেণীটোৰ বিশ্লেষণ আগবঢ়াবলৈ গৈ বিৰিঞ্চি কুমাৰ বৰুৱাই কমলাকান্ত আৰু সুপ্ৰভাৰ বৰ্ণনা দিছে এনেদৰে— "বিলাতী চেণ্টৰ সৌৰভৰ অৱশেষ বিয়পাই হেলনীয়া দেহৰ ভঙ্গীৰ মাজেদি সুপ্ৰভা অন্তৰ্হিত হ'ল। দুৱাৰৰ পৰ্দাৰ তলেদি কমলাকান্তৰ নিৰীহ চকুকেইটা হেমেলিনৰ নিগনিৰ দৰে কুমাৰীৰ পদযুগল অনুসৰণ কৰিলে। আঙুলিৰ আগত ভৰ দি হেলনীয়াকৈ খোজ কাঢ়োতে চম্পা বৰণৰ অসমীয়া পাটৰ মেখেলাখন ওপৰলৈ উজুৱাত ভৰিৰ গোৰোহা উলঙ্গ হৈ পৰিল। চিকুন আঙুৰ বৰণীয়া গোৰোহাৰ অপূৰ্ব সৌন্দৰ্যলৈ কমলাকান্তই লোলুপ দৃষ্টিৰে চাই ৰ'ল।"

এনে বৰ্ণনাৰ যোগেৰে— "আঙুলিৰ আগত ভৰ দি হেলনীয়াকৈ খোজ কঢ়া, বিলাতী চেণ্টৰ সৌৰভ" আদিত আভিজাত্যৰ অনুকৰণ আৰু এনে এটা অভিজাত স্তৰলৈ উন্নীত হোৱাৰ বাবে মধ্যবিত্ত কমলাকান্তৰ লোলুপ বাসনা প্ৰকট হৈ উঠিছে। মধ্যবিত্ত তথা অভিজাত শ্ৰেণীটোৰ আন ৰূপ ঔপন্যাসিকে অঙ্কন কৰিছে এনেদৰে— "গেটৰ পৰা বঙলালৈ যোৱা বাটটোৰ দুয়োকাষে দেৱদাৰু আৰু পাণ গছৰ শাৰী। সন্মুখত বিবিধ বৰণৰ বিলাতী ফুলেৰে জাতিষ্কাৰ হৈ থকা ফুলনি। হৰিণৰ শিঙৰ সৌন্দৰ্যৰ দৰে শাখা-প্ৰশাখাযুক্ত নানা তৰহৰ গছ-লতাই বাৰীৰ চাৰিওপিনে আগুৰি বঙলাটোৰ সৌন্দৰ্য আৰু গাম্ভীৰ্য বঢ়াইছে।" 'গেট', 'বঙলা', 'বিলাতী ফুল' আদিৰ যোগেদি বৰ্ণিত পৰিৱেশটি অসমৰ প্ৰাকৃতিক জগতখনতকৈ পৃথক।

কমলাকান্ত আৰু সুপ্ৰভাৰ বৈবাহিক জীৱনৰ সম্পৰ্কৰ মাজতো দেখা গৈছে মধ্যবিত্ত মানসিকতা। ধনতান্ত্ৰিক মধ্যবিত্ত সভ্যতাত স্বামী-স্ত্ৰীৰ সম্পৰ্কও ধনকেন্দ্ৰিক। এই প্ৰসঙ্গত ঔপন্যাসিকৰ বৰ্ণনা এনে ধৰণৰ— "সুপ্ৰভাই চিঞৰ- বাখৰ লগাই বীভৎস ভঙ্গীত গিৰীয়েকৰ অকৰ্মন্যতাক গালি পাৰিবলৈ ধৰিলে। কথাৰ লগে লগে খং চৰি গ'ল। খঙত একো নাই হৈ ডিঙিৰ চেইনডাল আজোৰ মাৰি চিঙিলে।"

মধ্যবিত্ত সমাজত এয়ে স্বামী-স্ত্ৰীৰ মাজত সম্পৰ্ক। অথচ বাহিৰত কমলাকান্ত আৰু সুপ্ৰভাই সুখী জীৱনৰ অভিনয় কৰে। বৈবাহিক জীৱনত কমলাকান্ত কোনো দিনে সুখী নাছিল। কিন্তু ক্ষমতাশালী মাণিক হাজৰিকাৰ জীয়েকৰ ইচ্ছা-অনিচ্ছাৰ বিৰুদ্ধে তেওঁ কোনো দিনে প্ৰতিবাদ কৰা নাছিল। প্ৰতিবাদ কৰাৰ শক্তি তেওঁ কেতিয়াবাই হেৰুৱাই পেলাইছিল। এয়ে মধ্যবিত্তৰ নমুনা। ফোঁপোলা, আন্তঃসাৰশূন্য এই শ্ৰেণীটোৰ ৰূপায়ণ অসমীয়া সাহিত্যত বৰ বিৰল।

এনেদৰে বিৰিঞ্চি কুমাৰ বৰুৱাই তেওঁৰ *জীৱনৰ বাটত* উপন্যাসত অসমীয়া গ্ৰাম্য সমাজ আৰু মধ্যবিত্ত সমাজৰ চিত্ৰ দক্ষতাৰে দাঙি ধৰিছে। দুয়োখন সমাজৰ চিত্ৰ ৰূপায়ণ কৰাত ঔপন্যাসিক ইমানেই সফল হৈছে যাৰ বাবে বহুতে এই বুলিও ক'ব খোজে যে, *জীৱনৰ বাটত* সমসাময়িক অসমীয়া সমাজৰ দস্তাবেজ স্বৰূপ।



চিন্তা চৰ্চা কৰক - ৬.১

জীৱনৰ বাটত উপন্যাসখনত ঔপন্যাসিকে মধ্যবিত্ত শ্ৰেণীটোৰ উচ্চাকাংক্ষা, তাক পূৰণ কৰিবলৈ ব্যক্তিয়ে চলোৱা প্ৰচেষ্টা আৰু তাৰ ক্ৰম পৰিণতিৰ এক সূক্ষ্ম বিশ্লেষণ আগবঢ়াবলৈ যত্ন কৰক।



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *জীৱনৰ বাটত* উপন্যাসখনিৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰি দেখা গ'ল যে কাহিনী, চৰিত্ৰ, সামাজিক চিত্ৰ আদি বিভিন্ন দিশৰপৰা এই উপন্যাসখনি বিৰিঞ্চি কুমাৰ বৰুৱাৰ

এক ব্যতিক্রমধর্মী সৃষ্টি। মানুহৰ দৈনন্দিন জীৱনৰ সৰু-সুৰা ঘটনাক লৈও যে একোখন সার্থক উপন্যাস ৰচিত হ'ব পাৰে সেই কথা এই উপন্যাসখনিয়ে প্রতিপন্ন কৰিছে।

- সু-সংহত কাহিনী, তগৰৰ দৰে নাৰী চৰিত্রত সংঘাতপূর্ণ জীৱন, অসমীয়া সমাজৰ নিখুঁত চিত্র, কলাসুলভ আবেদন, জীৱন দর্শন এই সকলোবোৰ ক্ষেত্রতে ঔপন্যাসিকে বিৰল সার্থকতা লাভ কৰিছে।
- গভীৰ জীৱনবোধ, মানবীয় আবেদন, ট্রেজিক পৰিণতিয়ে জীৱনৰ বাটত উপন্যাসখনিক এক মহৎ সৃষ্টিৰ পর্যায়লৈ উন্নীত কৰিছে। শ্রেষ্ঠ শিল্প কর্ম বাবেই এই উপন্যাসখনৰ মূল্য তথা জনপ্রিয়তা আজিও অকণো হ্রাস পোৱা নাই।

৬.৭ অধিক জানিবলৈ

১) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পা.) (২০০৬); *কথা বৰেণ্য ১০০;* গুৱাহাটী ঃ কথা প্রকাশ।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) ভৰালী, শৈলেন (২০০৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) মজুমদাৰ, বিমল (২০১১); *সাহিত্যৰ তত্ত্ব আৰু প্রয়োগ;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৭) শর্মা, গোৱিন্দ প্রসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোর্ছ।

৮) শর্মা, সত্যেন্দ্রনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৯) শর্মা, শশী (২০০৪); *সাহিত্যত আধুনিকতা;* নলবাৰী ঃ জার্নেল এম্প'ৰিয়াম।

৬.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসত গঞা সমাজে কিদৰে প্রকাশ লাভ কৰিছে... ...গ্রাম্য সমাজৰ চিত্র কিদৰে অঙ্কিত হৈছে (পাঠৰ অন্তর্গত উপন্যাসখনৰ আধাৰত আলোচনা কৰিব)।

২নং প্রশ্নৰ উত্তৰ ঃ ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাস *জীৱনৰ বাটত*ৰ চমু পৰিচয়... ...উপন্যাসখনত ফুটি উঠা বৈশিষ্ট্যৰ আলোচনা (পাঠৰ সহায় ল'ব)



৬.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ *"জীৱনৰ বাটত* এখনি সাৰ্থক উপন্যাস"— এই কথাষাৰৰ সত্যাসত্য নিৰ্ণয় কৰক।

প্ৰশ্ন ২ ঃ "কাহিনী, চৰিত্ৰসৃষ্টি, ৰচনাশৈলী সকলো দিশৰ পৰাই *জীৱনৰ বাটত* এক অমৰ সৃষ্টি" —এই মন্তব্যৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

প্ৰশ্ন ৩ ঃ "উপন্যাসখনিত বহু চৰিত্ৰৰ সমাবেশ ঘটিছে যদিও তগৰৰ জীৱনালেখ্যই ইয়াৰ প্ৰাণকেন্দ্ৰ" —এই মন্তব্যটো সন্মুখত ৰাখি তগৰ চৰিত্ৰটোৰ এটি বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ *জীৱনৰ বাটত* উপন্যাসখনিত সমসাময়িক অসমীয়া সমাজ জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰক।

প্ৰশ্ন ৫ ঃ "উপন্যাসখনৰ নায়িকা তগৰ অসমীয়া সমাজৰ আটাইতকৈ ভাল আৰু বিশুদ্ধখিনিৰ সাৰ্থক প্ৰতিভূ" —এই মন্তব্যটো তগৰৰ ক্ষেত্ৰত কিমানদূৰ গ্ৰহণযোগ্য বিচাৰ কৰক।

প্ৰশ্ন ৬ ঃ নগৰীয়া জীৱনৰ সুবিধাবাদী মধ্যবিত্ত শ্ৰেণীটোক ঔপন্যাসিকে কেনেদৰে অঙ্কন কৰিছে উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ অসমীয়া উপন্যাস সাহিত্যত বিৰিঞ্চি কুমাৰ বৰুৱাৰ স্থান কি?

প্ৰশ্ন ৮ ঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসত নগৰীয়া জীৱনৰ জটিল ৰূপটো কিদৰে ফুটি উঠিছে? আলোচনা কৰক।

প্ৰশ্ন ৯ ঃ তগৰ গ্ৰামীন সভ্যতাৰ শেষ প্ৰতিনিধি স্বৰূপ— ইয়াৰ আধাৰত উপন্যাসখনৰ এক সমাজতাত্ত্বিক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ১০ ঃ *জীৱনৰ বাটত* উপন্যাসখনৰ কমলাকান্ত আৰু ৰজনী মাষ্টৰৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰক।

*** ***** ***